# 2018

# ECONOMICS

## ( Major )

Paper : 1.1

**( Microeconomics—I )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

*(a)* The continuous movement farther and farther away from the original equilibrium position refers to _____ equilibrium.

( Fill in the blank )

মূল ভাৰসাম্য বিন্দুৰ পৰা অবিৰতভাৱে দূৰ আৰু দূৰলৈ গতি কৰাটোৱে _____ ভাৰসাম্যস্থিতিক বুজায়।

( খালী ঠাই পূৰণ কৰা )

*(b)* When the price of a substitute of commodity *A* falls, the demand for *A*

*(i)* rises

*(ii)* falls

*(iii)* remains unchanged

( Choose the correct one )

যেতিয়া *A* দ্ৰব্যবিধৰ বিকল্পৰ দাম কমে, তেতিয়া *A*ৰ প্ৰতি চাহিদা

*(i)* বাঢ়ে

*(ii)* কমে

*(iii)* একেই থাকে

( শুদ্ধটো বাছি উলিওৱা )

*(c)* While drawing an individual demand curve for a commodity, all but which one of the following are kept constant?

দ্ৰব্য এটাৰ চাহিদা ৰেখা অঙ্কন কৰোঁতে তলৰ কোনটোৰ বাহিৰে বাকীবোৰ অপৰিবৰ্তিত থাকে বুলি ধৰি লোৱা হয়?

*(i)* The price of the commodity under consideration

বিবেচনাৰ বাবে দ্ৰব্যবিধৰ দৰ

*(ii)* The prices of other related commodities

অন্য সম্পৰ্ক থকা দ্ৰব্যৰ দৰ

*(iii)* The individual's money income

ভোক্তাজনৰ মুদ্ৰা আয়



( Continued )



*(iv)* The tastes and habits of the individual

ভোক্তাজনৰ ৰুচি আৰু অভ্যাস

( Choose the correct one )

( শুদ্ধটো বাছি উলিওৱা )

*(d)* If the income elasticity of demand is greater than 1, the commodity is an inferior good.

( Write True or False )

যদি চাহিদাৰ আয় স্থিতিস্থাপকতা এককতকৈ অধিক হয়, তেন্তে দ্ৰব্যবিধ নিকৃষ্ট দ্ৰব্য হ'ব।

( সত্য নে অসত্য লিখা )

*(e)* What does a budget constraint line exhibit?

বাজেট-সীমিত ৰেখাই কি প্ৰদৰ্শন কৰে?

*(f)* What will be the shape of the Engel curve for a Giffen good?

গিফেন দ্ৰব্যৰ বাবে এঞ্জেল ৰেখাৰ আকৃতি কেনেকুৱা হ'ব?

*(g)* What is an isoquant?

সমউৎপাদন ৰেখা কি?

*(h)* What is opportunity cost?

সুযোগ ব্যয় কি?



( Turn Over )

*(i)* What does the cardinal utility approach assume about the marginal utility of money?

মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা সম্পৰ্কে সংখ্যাগত উপযোগিতা বিশ্লেষণৰ অনুমিত স্বীকাৰ্য কি?

*(j)* Price effect = Income effect + Substitution effect

( Write True or False )

দৰ বিপাক = আয় বিপাক + প্ৰতিকল্প বিপাক

( সত্য নে অসত্য লিখা )

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* What is comparative statics?

তুলনামূলক স্থিতিশীলতা কি?

*(b)* Draw a line diagram showing static market equilibrium.

স্থিতিশীল বজাৰৰ ভাৰসমতা দেখুৱাই এটা বৈখিকচিত্ৰ অঙ্কন কৰা।

*(c)* What does the marginal rate of substitution of $x$ for $y$ ($MRS_{xy}$) refer to?

$y$ৰ প্ৰতি $x$ৰ প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ ($MRS_{xy}$) মানে কি বুজায়?



( Continued )



*(d)* What is Giffen paradox?

গিফেন সাঁথৰ কি?

*(e)* Show the shape of isoquant in the case of perfectly substitute factors.

সম্পূৰ্ণ প্ৰতিকল্প উপাদানৰ ক্ষেত্ৰত সমউৎপাদনৰেখাৰ আকৃতি কেনেকুৱা হয়, দেখুওৱা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

*(a)* Explain how 'scarcity' leads to economic problems.

'অপ্ৰাচুৰ্য'ই কিদৰে আৰ্থিক সমস্যাৰ সৃষ্টি কৰে, ব্যাখ্যা কৰা।

*(b)* Draw and explain an income-consumption curve.

এডাল আয়-উপভোগ ৰেখা অঙ্কন কৰি ব্যাখ্যা কৰা।

*(c)* Clarify the meaning of explicit cost and implicit cost.

প্ৰকাশ্য ব্যয় আৰু অপ্ৰকাশ্য ব্যয়ৰ অৰ্থ স্পষ্টকৈ লিখা।

*(d)* State the concept of production function.

উৎপাদন ফলনৰ ধাৰণাটো উল্লেখ কৰা।



( Turn Over )

*(e)* Briefly describe the concept of expansion path.

সম্প্ৰসাৰণ পথৰ ধাৰণাটো চমুকৈ বৰ্ণনা কৰা।

*(f)* State any five economies associated with an increase in scale of production.

উৎপাদনৰ মাত্ৰা বৃদ্ধিৰ সৈতে জড়িত থকা যি কোনো পাঁচটা মিতব্যয়িতা উল্লেখ কৰা।

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* State the concept of market interventions. Describe various kinds of market interventions. 2+8=10

বজাৰ হস্তক্ষেপৰ ধাৰণাটো লিখা। বিভিন্ন প্ৰকাৰৰ বজাৰ হস্তক্ষেপৰ বৰ্ণনা দিয়া।

*Or / অথবা*

Explain the limitations of cardinal utility approach. State two reasons showing superiority of indifference curve over the cardinal utility analysis. 6+4=10

সংখ্যাগত উপযোগিতা বিশ্লেষণৰ সীমাবদ্ধতাসমূহ ব্যাখ্যা কৰা। সংখ্যাগত উপযোগিতাৰ তুলনাত নিৰপেক্ষ ৰেখাৰ শ্ৰেষ্ঠত্বৰ দুটা কাৰণ লিখা।





*(b)* "Indifference curves exhibit three basic characteristics : they are negatively sloped, they are convex to the origin and they cannot intersect." Explain these with diagrams. 10

"নিৰপেক্ষ ৰেখাৰ তিনিটা প্ৰধান বৈশিষ্ট্য হৈছে : ইবোৰৰ ঢাল ঋণাত্মক, ইবোৰ কেন্দ্ৰৰ পিনে উত্তল আৰু ইহঁতে কটাকটি কৰিব নোৱাৰে।" চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

*Or / অথবা*

Elaborate the concept of consumer's surplus. 10

ভোক্তাৰ উদ্বৃত্তৰ ধাৰণাটো বহলাই লিখা।

*(c)* Describe different stages of the law of variable proportion with a suitable diagram. 10

উপযুক্ত চিত্ৰ সহকাৰে পৰিৱৰ্তনশীল অনুপাত বিধিটোৰ স্তৰসমূহৰ বৰ্ণনা দিয়া।

*Or / অথবা*

"The long-run average cost curve is U-shaped and relatively more flat than the short-run average cost curve." Explain the statement with appropriate diagram. 10

"দীৰ্ঘকালৰ গড়-ব্যয় ৰেখাডাল U-আকৃতিৰ আৰু হ্ৰস্বকালৰ গড়-ব্যয় ৰেখাতকৈ অধিক বহল।" কথাষাৰ উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

(d) Draw and explain marginal revenue curve and average revenue curve under perfectly competitive market and monopoly. 5+5=10

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু একচেটিয়া বজাৰৰ প্ৰান্তিক আয় ৰেখা আৰু গড় আয় ৰেখা অঙ্কন কৰি ব্যাখ্যা কৰা।

*Or* / অথবা

Explain how a firm attains equilibrium with the help of total revenue and total cost approach. 10

মুঠ আয় আৰু মুঠ ব্যয় বিশ্লেষণৰ সহায়ত প্ৰতিষ্ঠান এখনৰ ভাৰসাম্য লাভৰ অৱস্থাটো ব্যাখ্যা কৰা।

★★★

# 2018

## ECONOMICS

## ( Major )

Paper : 1.2

**( Macroeconomics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* What is gross national product?

সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন কি ?

*(b)* Mention one problem faced in national income accounting.

ৰাষ্ট্ৰীয় আয় গণনাত সন্মুখীন হোৱা এটা সমস্যা উল্লেখ কৰা।

(c) Mention one limitation of Keynesian theory.

কেইনচীয় তত্ত্বৰ এটা সীমাবদ্ধতা উল্লেখ কৰা।

(d) What is aggregate supply function?

সৰ্বমুঠ যোগান ফলন কি?

(e) Mention Say's law of market.

চে'ৰ বজাৰ বিধিটো উল্লেখ কৰা।

(f) What is marginal propensity to consume?

প্ৰান্তিক ভোগ প্ৰৱণতা কি?

(g) Mention one limitation of Keynesian consumption function.

কেইনচীয় ভোগ ফলনৰ এটা সীমাবদ্ধতা উল্লেখ কৰা।

(h) What is marginal efficiency of investment?

বিনিয়োগৰ প্ৰান্তিক কাৰ্যদক্ষতা কি?





(i) Define supermultiplier.

অতিগুণকৰ সংজ্ঞা দিয়া।

(j) What is accelerator?

ত্বৰক কি?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What is circular flow of income?

আয়ৰ চক্ৰীয় প্ৰবাহ কি?

(b) Define effective demand.

সক্ৰিয় চাহিদাৰ সংজ্ঞা দিয়া।

(c) Mention two technical attributes of consumption function.

ভোগ ফলনৰ দুটা কাৰিকৰী গুণ উল্লেখ কৰা।

(d) Mention two leakages of the multiplier.

গুণকৰ দুটা নিৰ্গমন উল্লেখ কৰা।

(e) Distinguish between gross investment and net investment.

সৰ্বমুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the relationship between national income and economic welfare.

ৰাষ্ট্ৰীয় আয় আৰু অৰ্থনৈতিক কল্যাণৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

(b) Explain the product method of computing national income.

ৰাষ্ট্ৰীয় আয় গণনাৰ উৎপাদন পদ্ধতিটো ব্যাখ্যা কৰা।

(c) How did Keynes criticise the classical theory of employment?

নিয়োগৰ সংস্থাপিত তত্ত্বটো কেইনচে কিদৰে সমালোচনা কৰিছিল?

(d) Explain the factors that influence consumption function.

ভোগ ফলন প্ৰভাৱান্বিত কৰা কাৰকসমূহ ব্যাখ্যা কৰা।

(e) What are the determinants of marginal efficiency of capital? Explain.

মূলধনৰ প্ৰান্তিক কাৰ্যদক্ষতাৰ নিৰ্ধাৰকসমূহ কি কি? ব্যাখ্যা কৰা।





(f) Distinguish between autonomous investment and induced investment.

স্বয়ংক্ৰিয় বিনিয়োগ আৰু অনুপ্ৰাণিত বিনিয়োগৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Distinguish between the following : 4+3+3=10

তলত দিয়াবোৰৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা :

(i) National income at market prices and national income at factor cost

বজাৰ দামত ৰাষ্ট্ৰীয় আয় আৰু উপাদানৰ ব্যয়ত ৰাষ্ট্ৰীয় আয়

(ii) Net national product and net domestic product

শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন আৰু শুদ্ধ ঘৰুৱা উৎপাদন

(iii) Disposable income and personal income

ব্যৱহাৰযোগ্য আয় আৰু ব্যক্তিগত আয়

(b) Discuss the classical theory of employment. 10

নিয়োগৰ সংস্থাপিত তত্ত্বটো আলোচনা কৰা।

(c) What is investment multiplier? Explain the working of the multiplier. 3+7=10

বিনিয়োগ গুণক কি? গুণকৰ কাৰ্য ব্যাখ্যা কৰা।

(d) (i) Discuss the relationship between marginal efficiency of capital and marginal efficiency of investment.

মূলধনৰ প্ৰান্তিক কাৰ্যদক্ষতা আৰু বিনিয়োগৰ প্ৰান্তিক কাৰ্যদক্ষতাৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

(ii) Define average propensity to invest (API) and marginal propensity to invest (MPI). 6+4=10

বিনিয়োগৰ গড় প্ৰৱণতা আৰু বিনিয়োগৰ প্ৰান্তিক প্ৰৱণতাৰ সংজ্ঞা লিখা।

(e) Explain the importance of measuring national income. What are the difficulties faced in calculating national income in underdeveloped countries? Discuss. 4+6=10

ৰাষ্ট্ৰীয় আয় গণনাৰ গুৰুত্ব ব্যাখ্যা কৰা। অনুন্নত দেশত ৰাষ্ট্ৰীয় আয় গণনা কৰোতে কি কি অসুবিধাৰ সন্মুখীন হ'ব লগা হয়? আলোচনা কৰা।





(f) State and explain Keynes' psychological law of consumption. What are the implications of this law? 2+4+4=10

কেইনচৰ মনোবৈজ্ঞানিক উপভোগ বিধিটো ব্যক্ত কৰা আৰু ব্যাখ্যা কৰা। এই বিধিটোৰ নিহিত অৰ্থসমূহ কি কি?

★★★